জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬/২০২১

# জনসংযোগ বিভাগৰ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলৰ সৈতে ভিডিঅ’ কনফাৰেন্স যোগে মত-বিনিময় কৰিলে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে

## উৎকৃষ্ট সেৱা আগবঢ়োৱা বিষয়াসকলক মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিব বিশেষ স্বীকৃতি

**দিছপুৰ, ৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে ভিডিঅ’ কনফাৰেন্স যোগে আজি তথ্য আৰু জনসংযোগ বিভাগৰ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলৰ সৈতে মত-বিনিময় কৰে। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰা এই ভিডিঅ’ কনফাৰেন্সৰ জৰিয়তে তেওঁ জিলা তথ্য আৰু জনসংযোগ বিষয়া তথা মহকুমা তথ্য আৰু জনসংযোগ বিষয়াসকলৰ সৈতে তেওঁলোকে কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন বিষয় সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰে। মিডিয়া উপদেষ্টা গৰাকীয়ে ক্ষেত্ৰীয় বিষয়াসকলক নিষ্ঠাসহকাৰে কাম কৰাৰ লগতে চৰকাৰ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক সুদৃঢ়কৰণৰ দিশত সেঁতু বান্ধোতাৰ ৰূপত অৱতীৰ্ণ হ’বলৈ আহ্বান জনায়।

মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে প্ৰকাশ কৰে যে বিভাগৰ ক্ষেত্ৰ পৰ্যায়ত উৎকৃষ্ট সেৱা আগবঢ়োৱা তিনিগৰাকী বিষয়াক তেওঁলোকৰ উল্লেখনীয় সেৱাৰ বাবে বিশেষ স্বীকৃতি প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে এই বিষয়াসকলক স্বীকৃতি প্ৰদান কৰিব।

আজিৰ এই ভিডিঅ’ কনফাৰেন্সিঙৰ সময়ত তথ্য আৰু জনসংযোগ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, সঞ্চালক অনুপম চৌধুৰী, অতিৰিক্ত সঞ্চালক প্ৰদীপ ব্ৰহ্ম, ৰাইজৰ বাতৰিৰ সম্পাদক ভূপেন ভট্টাচাৰ্য আৰু অন্যান্য বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**৮/০১/২০২১**